# অধ্যায় ১ ঃ প্রাক্-স্বাধীনতাকালৰ আধুনিক অসমীয়া সাহিত্য

## অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ প্রাক্-স্বাধীনতাকালৰ আধুনিক অসমীয়া সাহিত্য
১.৩.১ পটভূমি
১.৩.২ বৈশিষ্ট্য আৰু সাহিত্যৰ বিবিধ বিধা
১.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.৫ অধিক জানিবলৈ
১.৬ অগ্রগতিৰ খতিয়ান
১.৭ আৰ্হি প্রশ্ন

## ১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- প্রাক্-স্বাধীনতাকালৰ আধুনিক অসমীয়া সাহিত্য সৃষ্টিৰ পটভূমি সম্পর্কে সম্যক ধাৰণা লাভ কৰিব
- প্রাক্-স্বাধীনতাকালত কেনে ধৰণৰ সাহিত্য সৃষ্টি হৈছিল, কি কি নতুন সাহিত্য বিধাৰ আৰম্ভ হৈছিল আৰু তাৰ বৈশিষ্ট্যসমূহ নির্ধাৰণ কৰিব পাৰিব।

## ১.২ পৰিচয়

স্নাতক অসমীয়া পাঠ্যক্রমৰ দ্বিতীয় ষাণ্মাসিকৰ আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জী শীর্ষক পাঠ্যবিষয়টিৰ এইটো প্রথম অধ্যায়। ইয়াত প্রাক্-স্বাধীনতাকালৰ আধুনিক অসমীয়া সাহিত্যৰ পটভূমি সম্পর্কে চমু আভাস এটি দাঙি ধৰিব বিচৰা হৈছে। প্রথম ষাণ্মাসিকত ইতিমধ্যে আপুনি উদ্ভৱ কালৰ পৰা শংকৰোত্তৰ কালৰ অসমীয়া সাহিত্যৰ বুৰঞ্জী সম্পর্কে অধ্যয়ন কৰি আহিছে। সেই পাঠ্যবিষয়খন অধ্যয়ন কৰোঁতে নিশ্চয় লক্ষ্য কৰিছিল যে সেই সময়ৰ সাহিত্যৰ বিভাগসমূহ আছিল পৃথক ধৰণৰ। সময়ৰ পৰিৱর্তনৰ লগে লগে সাহিত্যটো তাৰ ছাপ পৰে। সেই কথা এই অধ্যায়টো পঢ়ি অনুধাৱন কৰিবলৈ সক্ষম হ'ব।

অধ্যায়টিৰ অধ্যয়নে আপোনাক প্রাক্-স্বাধীনতাকালৰ আধুনিক অসমীয়া সাহিত্য সৃষ্টিৰ পটভূমি সম্পর্কে সম্যক ধাৰণা প্রদান কৰাৰ লগতে তদানীন্তন সময়ৰ অসমীয়া সাহিত্যৰ বৈশিষ্ট্যসমূহ নির্ধাৰণ কৰাত সহায় কৰিব।

## ১.৩ প্রাক্-স্বাধীনতাকালৰ আধুনিক অসমীয়া সাহিত্য

প্রাক্-স্বাধীনতাকালৰ অসমীয়া সাহিত্য বুলি ক'লে ব্রিটিছে অসম দেশ অধিকাৰ কৰাৰ পৰা ১৯৪৭ চনৰ সময়ছোৱাৰ ভিতৰত ৰচিত অসমীয়া সাহিত্যৰাজিৰ কথা বুজা যায়। এই সময়ছোৱাক আলোচনাৰ সুবিধার্থে আমাৰ পাঠ্যবিষয়ত ক্রমে — প্রাক্-অৰুণোদয় যুগ, অৰুণোদয় যুগ আৰু অৰুণোদয় পৰৱর্তী কালৰ আধুনিক অসমীয়া সাহিত্য হিচাপে ভাগ কৰি পৰৱর্তী অধ্যায় কেইটা সজোৱা হৈছে। এই সময়ছোৱাত কিছুমান আর্থ-সামাজিক-ৰাজনৈতিক কাৰকেও অসমৰ সমাজ জীৱন টোৱাই গৈছিল; যিবোৰ কাৰকৰ বাবে অসমীয়া সাহিত্যলৈ নতুন নতুন জাগৰণ আহিছিল। এই সকলোখিনি পৰৱর্তী অধ্যায়বোৰত বহলাই আলোচনা কৰা হ'ব। এই অধ্যায়টোত কি ধৰণৰ আর্থ-সামাজিক-ৰাজনৈতিক পটভূমিয়ে নব্য সাহিত্য বিধা আৰম্ভ হোৱাত অনুঘটকৰ দৰে কাম কৰিলে সেই বিষয়ে চমুকৈ আলোচনা কৰা হ'ব। তদুপৰি এই সময়ছোৱাৰ সাহিত্যত কি নতুন বৈশিষ্ট্যৰ উন্মেষ ঘটিল সেই বিষয়ে কৈ কি কি নতুন সাহিত্য ধাৰাৰ সৃষ্টি হৈছিল সেই বিষয়েও কিছু কথা আলোচনা কৰা হ'ব।

### ১.৩.১ পটভূমি

সাহিত্যৰ লগত সমাজৰ সম্পর্ক অতি গভীৰ। সেইবাবে সাহিত্যৰ বিষয়ে অধ্যয়ন কৰোঁতে তদানীন্তন সময়ৰ প্রেক্ষাপট কেনে আছিল সেই বিষয়ে আলোচনা কৰিবলগীয়া হয়। প্রথম যাণ্মাসিকত অসমীয়া সাহিত্যৰ বুৰঞ্জী পঢ়োতে আপুনি নিশ্চয় মন কৰিছিল যে, আৰম্ভণিৰ পৰা শংকৰোত্তৰ কালৰ সাহিত্যৰাজি আছিল মূলতঃ ধর্মীয় দিশৰ লগত সম্পর্কীত (কেৱল লোকসাহিত্যৰ কেইটামান দিশৰ বাদে)। বিশেষকৈ লিখিত সাহিত্য আৰম্ভ হোৱাৰ কালৰ পৰা চালে এই কথাৰ সার্থকতা অনুধাৱন কৰিব পাৰি। কিন্তু ঊনবিংশ শতিকাৰ আৰম্ভণিৰ পৰা অসমীয়া সাহিত্যই সুঁতি সলনি কৰিলে। এই ক্ষেত্রত তদানীন্তন কালৰ আর্থ-সামাজিক আৰু ৰাজনৈতিক প্রেক্ষাপটে গভীৰ ভূমিকা গ্রহণ কৰিছিল। এক কথাত ক'ব পাৰি আর্থ-সামাজিক আৰু ৰাজনৈতিক জীৱনৰ নতুন পটভূমিয়ে অসমীয়া সাহিত্যৰ গতি সলনি কৰিলে। এই সময়ছোৱাক অসমীয়া সাহিত্যৰ ৰূপান্তৰণৰ সময় বুলিও অভিহিত কৰিব পাৰি। এই সময়ছোৱাতেই অসমীয়া সাহিত্যই আধুনিকতাৰ সাজ পৰিধান কৰিছিল।

এই ৰূপান্তৰৰ অন্তৰালত কেইবাটাও ঐতিহাসিক কাৰকে ক্রিয়া কৰিছিল। অষ্টাদশ শতিকাত সংঘটিত হোৱা মোৱামৰীয়া বিদ্রোহে আহোম সাম্রাজ্যৰ চালিকা শক্তি দুর্বল কৰি পেলাইছিল আৰু কেইবাখনো স্ব-পৰিচালিত ক্ষুদ্র ৰাজ্যৰ সৃষ্টি কৰিছিল। অসমত চৰম ৰাজনৈতিক অস্থিৰতাই জনজীৱন দুর্বিসহ কৰি তুলিছিল আৰু লগতে অসমৰ আর্থ-সামাজিক-সাংস্কৃতিক পৰিৱেশৰ ওপৰত গভীৰ প্রভাৱ পেলাইছিল।

ফলস্বৰূপে সাহিত্যৰ লগতে আন আন সাংস্কৃতিক উপকৰণবোৰৰ গতি আৰু বিস্তাৰ একেবাৰে মন্থৰ কৰি তুলিছিল। তাৰ পৰৱৰ্তী সময়ত, ঊনবিংশ শতিকাৰ আৰম্ভণিৰ সময়ছোৱাত মান সেনাই এবাৰ এবাৰকৈ তিনিবাৰ অসম আক্ৰমণ কৰিছিল। এই আক্ৰমণৰ ফলত অসম প্ৰায় মৰিশালিত পৰিণত হৈছিল। মানৰ অত্যাচাৰত অসমীয়া মানুহে যি জীয়াতু ভুগিবলগীয়া হৈছিল, তাৰ তুলনা পাবলৈ নাই। মানৰ আক্ৰমণত জুৰুলা হোৱা অসমীয়া জাতি সেই সময়ত মৰিশালিৰ পৰা অহা মানুহৰ দৰে আনন্দবিহীন, উৎসাহশূন্য হৈ পৰিছিল। অসমীয়া মানুহে যিকোনো উপায়ে এই দুৰ্দশাপূৰ্ণ অৱস্থাৰ পৰা পৰিত্ৰাণ বিচাৰিছিল। সেই সময়ৰ আহোম ৰজা গৌৰীনাথ সিংহৰ আহ্বান ক্ৰমে ইষ্ট-ইণ্ডিয়া কোম্পানীয়ে অসমীয়া মানুহক মানৰ অত্যাচাৰৰ পৰা ৰক্ষা কৰিবলৈ অসমত আহি উপস্থিত হয়হি। তেওঁলোকে মান সেনাক ঘটোৱাই 'ইয়াণ্ডাবু সন্ধি' স্বাক্ষৰিত কৰে। ১৮২৬ চনৰ এই ইয়াণ্ডাবু সন্ধিৰ চৰ্ত অনুসৰি অসম দেশ ইষ্ট-ইণ্ডিয়া কোম্পানী অৰ্থাৎ ইংৰাজৰ হাতলৈ যায়। ইংৰাজৰ হাতলৈ শাসন ব্যৱস্থা গ'লেও মানৰ অত্যাচাৰৰ পৰা ৰক্ষা পোৱাত অসমীয়া মানুহে স্বস্তিৰ নিশ্বাস পেলালে। শান্তিৰে উশাহ লোৱাৰ স্বাৰ্থতে ইংৰাজৰ শাসন মানি লোৱাৰ বাহিৰে অসমীয়া মানুহৰ আন উপায়ো নাছিল। মানৰ আক্ৰমণত বিপৰ্যস্ত অসমীয়া জাতিৰ জীৱনী শক্তিও তেতিয়া তেনেই ক্ষীণ হৈ পৰিছিল।

মানক খেদি দেশখন থান-থিত লগাৰ পাছত ইংৰাজসকলে অসম এৰি গুচি যাব বুলি ভবা হৈছিল। কিন্তু বাস্তৱত তেওঁলোকে অসমখন স্থায়ীভাৱে দখল কৰি লোৱাৰ বাবেহে উঠি-পৰি লাগিল। বিপদৰ সময়ত সহায় কৰিবলৈ আহি ৰক্ষকেই যেতিয়া ভক্ষক হৈ সকলো ক্ষমতা নিজৰ হাতলৈ নিলে, তেতিয়াই অসমীয়া জাতিৰ স্বাধীনতাৰো বিলুপ্তি ঘটিল। সেই সময়ত মানৰ আক্ৰমণত জৰ্জৰিত অসমীয়া মানুহৰ প্ৰতিবাদ কৰিবলৈও শক্তি নাছিল। গতিকে ইংৰাজৰ ৰাজত্বক মানি লৈ যি শান্তি-সমৃদ্ধি দেশখনলৈ আহিব বুলি ভবা হৈছিল, সেই শান্তি-সমৃদ্ধি নাহিল। মানক খেদাৰ ছলেৰে ইংৰাজে অসমত খুঁটি পুতি বহিহে ল'লে।

ব্ৰিটিছে অসম দখল কৰাৰ পৰৱৰ্তী কালত অসমৰ সমাজ গাঁথনিত কিছু পৰিমাণে ৰূপান্তৰ সাধিত হয় যদিও মূল গঠন বিন্যাস প্ৰায় একেই থাকিল। অৱশ্যে নতুন সমাজ ব্যৱস্থাত 'মধ্যবিত্ত' নামেৰে এক নতুন সামাজিক শ্ৰেণীয়ে আত্মপ্ৰকাশ কৰে। "পুৰণি সমাজখনৰ ৰূপান্তৰৰ লগে লগে সেই সমাজৰ ধাৰক বিধায়ক বিভিন্ন সামাজিক শ্ৰেণীৰো তিৰোভাৱ হয় আৰু তেওঁলোকৰ ধ্বংসস্তুপৰ ওপৰতে নতুন মধ্যবিত্ত শ্ৰেণীটোৰ উদ্ভৱ হয়।" অৱশ্যে এই শ্ৰেণীটোৰ উদ্ভৱৰ ক্ষেত্ৰত ব্ৰিটিছৰ এক সাম্ৰাজ্যবাদী স্বাৰ্থই যে ক্ৰিয়া কৰিছিল সেই কথাও কিন্তু অস্বীকাৰ কৰিব নোৱাৰি বুলি সমালোচক হীৰেন গোঁহাইয়ে মত পোষণ কৰিছে।

প্ৰফুল্ল মহন্তই এই নব্য গঠিত মধ্যবিত্ত শ্ৰেণীটোক দুটা ভাগত ভাগ কৰিছে—

প্রথম ভাগত অন্তর্ভুক্ত হৈছে গাঁও অঞ্চলৰ মৌজাদাৰ, মণ্ডল, গাঁওবুঢ়া, সত্রাধিকাৰ, ব্রাহ্মণ, পণ্ডিত, পুৰোহিত, দৈৱজ্ঞ, শিক্ষক ইত্যাদি; আৰু দ্বিতীয় ভাগটো গঠিত হৈছিল মূলতঃ নগৰৰ চাকৰিজীৱী— কেৰাণী, পুলিচ ডাৰোগা, ডাক্তৰ, উকীল, হাকিম ইত্যাদিৰে। এওঁলোকৰ জীৱিকা আছিল চাকৰি আৰু ব্যৱসায়। অৱশ্যে লক্ষণীয় যে অসমীয়া সমাজলৈ অহা এই পৰিৱর্তনে কিন্তু অসমীয়া সর্বসাধাৰণ ৰাইজৰ চুব পৰা নছিল। তেওঁলোক ব্যস্ত আছিল ব্রিটিছৰ শোষণ-নিপীড়ণৰ বিৰুদ্ধে নিজকে প্রস্তুত কৰাত। এই বিদ্রোহে পোন প্রথমবাৰৰ বাবে প্রকাশ্য ৰূপ লাভ কৰে ১৯৩৬ চনত ভূমি ৰাজহ বৃদ্ধিৰ বাবে নগাঁৱত সৃষ্টি হোৱা প্রতিবাদত। এয়াই আছিল ব্রিটিছৰ বিৰুদ্ধে আৰম্ভ হোৱা প্রথম কৃষক বিদ্রোহ। অৱশ্যে ইয়াৰ আগতেও ব্রিটিছসকলে বিদ্রোহৰ মুখামুখি হৈছিল। আহোম ৰাজপৰিয়াল আৰু সম্ভ্রান্ত অভিজাত শ্রেণীটোৱে তেওঁলোকৰ সা-সুবিধাখিনি ইংৰাজে কর্তন কৰাত তেওঁলোকৰ ওপৰত অসন্তুষ্ট হৈ পৰিছিল। সেই অসন্তুষ্টিৰে বর্হি প্রকাশ ঘটে ১৮২৮-৩০ খ্রীঃত সংঘটিত হোৱা গোমধৰ-পিয়লিৰ বিদ্রোহত। অৱশ্যে এই বিদ্রোহত প্রজা ঘৰৰ কোনো ধৰণৰ সহযোগ নাছিল আৰু ইংৰাজে কঠোৰ হাতেৰে সেয়া দমন কৰে। এই শ্রেণীটোৰ প্রতিনিধি হিচাপে পৰৱর্তীকালত মণিৰাম দেৱানেও দ্রোহ আচৰিছিল। অৱশ্যে গোমধৰ-পিয়লিৰ ফাঁচীৰ পাছত মণিৰাম দেৱানেও ব্রিটিছৰ প্রতি তেওঁৰ সম্পূর্ণ আনুগত্য প্রকাশ কৰি চাকৰি কৰিছিল। পাছলৈ চাকৰি বাদ দি ব্যৱসায়ত হাত দিয়ে আৰু তেতিয়াই ব্রিটিছৰ সাম্রাজ্যবাদী শক্তিৰ ভয়াবহতা সম্পর্কে সজাগ হৈ তাৰ প্রতিকাৰৰ বাবে সংগ্রাম আৰম্ভ কৰে। তেওঁৰ ষড়যন্ত্র ধৰা পৰাত ব্রিটিছে তেওঁক ১৮৫৮ চনত ফাঁচী দিয়ে। লগে লগে ব্রিটিছসকলৰ সাম্রাজ্যবাদৰ প্রসাৰণৰ ক্ষেত্রত থকা বাধা প্রায় নাইকিয়া হ'ল। তাৰ পিছতেই অসমীয়া মধ্যবিত্তই বুজি উঠিছিল যে ব্রিটিছে কেতিয়াও দেশীয় পুঁজিৰ স্বাধীন বিকাশ সহ্য নকৰে।

ইংৰাজসকলৰ আমোলত আহোম স্বর্গদেউসকলৰ দিনত বিষয়া, ডা-ডাঙৰীয়াসকলে লাভ কৰা পদমর্যাদা আৰু সা-সুবিধাসমূহ কর্তন কৰা হয়। ভাৰতৰ উত্তৰ-পূব সীমান্ত অঞ্চলৰ গৱর্ণৰ জেনেৰেলৰ এজেণ্ট হিচাপে কর্মৰত ডেভিদ স্কটে অসমতো তেওঁলোকৰ ইষ্ট ইণ্ডিয়া কোম্পানীৰ আর্হিত প্রশাসনিক কাম-কাজ আৰম্ভ কৰে। নব্য ভূমি নীতি, মুদ্রা অর্থনীতিৰ বিকাশ, টকাৰ মাধ্যমত মাটিৰ খাজানা, হাট, ঘাট, বিল, হাবি-জংঘল আদিৰ ওপৰত নতুন নতুন কৰ-কাটল বহুওৱা হয়। প্রতি ***পাইকৰ*** ওপৰত তিনি টকাকৈ কৰ আৰোপ, ***ৰায়তৰ*** মাটিৰ ওপৰত খাজনা আৰোপ, ***ব্রহ্মোত্তৰ*** আৰু ***দেৱোত্তৰ*** মাটিৰ ওপৰত খাজনা আৰোপ আদিৰ যোগেদি ইংৰাজে অসমীয়া মানুহক শোষণ কৰি প্রভুত্ব বিস্তাৰ কৰিবলৈ ধৰিলে। প্রতি পাইকৰ ওপৰত তিনি টকাকৈ কৰ আৰোপ, ৰায়তৰ মাটিৰ ওপৰত খাজানা আদিয়ে অসমীয়া সমাজখনৰ সাধাৰণ শ্রেণীৰ মানুহখিনিৰ আর্থিক স্থিতি আৰু অৱনমিত কৰি তোলে। ইংৰাজসকলে জাপি দিয়া নতুন আইন-কানুন, পদ্ধতি আদি অসমৰ বাবে আচহুৱা আছিল; পুৰণি ডা-



***পাইক*** ঃ আগৰ দিনৰ নিচেই সাধাৰণ মানুহ।
***ৰায়ত*** ঃ খাজনা দি মাটি খাই থকা প্রজা।
***ব্রহ্মোত্তৰ*** ঃ বামুণক দান দিয়া কৰবিহীন মাটি।
***দেৱোত্তৰ*** ঃ দেৱতাৰ পূজা চলাবৰ বাবে দিয়া কৰবিহীন মাটি; মঠ, মন্দিৰ আদিৰ মাটি।
***অপভ্রংশ*** ঃ মূল ভাষা বা শব্দৰ বিকৃত ৰূপ।

ডাঙৰীয়াসকলেও তাৰ আও-ভাও পোৱা নাছিল। সেইবাবে এই নব্য শাসন ব্যৱস্থাত ঠাই পালে শিক্ষিত ব্যক্তিয়ে। "ইতিহাসৰ গতিগোত্ৰ অনুধাৱন কৰি অসমীয়া আঢ্যৱন্ত আৰু উচ্চ-বৰ্ণৰ লোকসকলে ব্ৰিটিছৰ অনুগত হয়; কাৰণ শিক্ষিত শ্ৰেণীটোৰ অধিকাংশই আছিল এই শ্ৰেণীৰ অন্তৰ্গত।"

এই সময়ছোৱাতে ইংৰাজসকলে অসমত ইংৰাজী শিক্ষাৰ শিক্ষানুষ্ঠান আৰম্ভ কৰে। ১৮৩৫ চনত গুৱাহাটীত 'ইংলিছ চেমিনাৰী' নামেৰে এখন ইংৰাজী স্কুল প্ৰতিষ্ঠা কৰা হয়। এইখনেই অসমত প্ৰতিষ্ঠা কৰা প্ৰথম ইংৰাজী মাধ্যমৰ শিক্ষানুষ্ঠান। পৰৱৰ্তী সময়ত ১৯৪১ চনত দ্বিতীয়খন ইংৰাজী স্কুল স্থাপন কৰা হয় শিৱসাগৰত। অসমত ইংৰাজী শিক্ষা আৰম্ভ হোৱাৰ পাছতে অসমৰ শিক্ষা জীৱনলৈ আমূল পৰিৱৰ্তন আহে। সহজেই অনুমেয় যে এই দুখন ইংৰাজী মাধ্যমৰ স্কুল প্ৰতিষ্ঠা কৰাৰ আঁৰত ইংৰাজসকলৰ সাম্ৰাজ্যবাদী চিন্তাই প্ৰভাৱিত কৰিছিল আৰু সেই দুখন স্কুলত ভিৰ কৰিছিলহি সেই সময়ৰ অসমৰ উচ্চ-বংশজাত শিক্ষাৰ্থীয়েহে।

এনে দুৰ্যোগপূৰ্ণ অৱস্থাত অসমৰ শিক্ষা আৰু সাহিত্যলৈ চাবৰ কাৰো আহৰি নাছিল। জীয়াই থকাটোৱে মুখ্য সমস্যা হৈ পৰিছিল। তাতে আকৌ যেতিয়া অসমীয়া ভাষাক বহিষ্কাৰ কৰি বাংলা ভাষাক পঢ়াশালি আৰু আদালতত ঠাই দিলে তেতিয়া শিক্ষা আৰু সাহিত্যচৰ্চাৰ সামান্য সম্ভাৱনাকণো নোহোৱা হৈ পৰিল। ইংৰাজে তেওঁলোকৰ শাসন কাৰ্যত সহায়ৰ বাবে, কেৰাণী-মহৰী আদি কামৰ বাবে বংগদেশৰপৰা বাঙালী লোকক অসমলৈ আমদানি কৰিছিল। বাঙালী আমোলাসকলৰ কিছু অংশই ইংৰাজক বুজাই দিলে যে অসমীয়া ভাষা এটা স্বতন্ত্ৰীয়া ভাষা নহয়, ই বাংলা ভাষাৰে এটা গ্ৰাম্য অপভ্ৰংশ মাত্ৰ। গতিকে অসমীয়া ভাষাৰ সলনি অসমৰ পঢ়াশালি, আদালতত বাংলা ভাষাৱহে প্ৰচলন হ'ব লাগে। ইংৰাজ শাসকসকলেও দেখিলে অসমত বাংলা ভাষা চলালে প্ৰশাসনিক সুবিধা বেছি। সেয়ে ১৮৩৬ চনত ইংৰাজে স্কুল-কাছাৰী আদিত অসমীয়া ভাষাৰ পৰিৱৰ্তে বাংলা ভাষাক প্ৰতিষ্ঠা কৰিলে। ১৮৩৬ চনৰপৰা ১৮৭৩ চনলৈ প্ৰায় দুকুৰি বছৰকাল বাংলা ভাষাই অসমৰ পঢ়াশালি আৰু আদালতত আধিপত্য লাভ কৰাৰ ফলত অসমৰ শিক্ষা, ভাষা, সাহিত্যৰ ক্ষেত্ৰত অশেষ ক্ষতি হ'ল। তদুপৰি ইয়াৰ ফলত অসমীয়া মানুহ পঞ্চাশ বছৰকাল পিছু�ৱাই যাবলগীয়াত পৰিল। সেইবাবে ১৮৩৬ চনৰপৰা ১৮৭৩ চনলৈ এই সময়ছোৱাক অসমীয়া সাহিত্যৰ বুৰঞ্জীকাৰসকলে 'অন্ধকাৰ যুগ' বুলি আখ্যা দিছে।

অসমীয়া ভাষাৰ এনে দুৰৱস্থা আৰু অন্ধকাৰময় সময়তে ১৮৩৬ চনত সুদূৰ আমেৰিকাৰ পৰা বেপ্তিষ্ট মিছনেৰীসকলে খ্ৰীষ্টধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে অসমত ভৰি দিয়েহি। নাথান ব্ৰাউন, ও.টি.কাট্টাৰ, মাইলচ্ ব্ৰন্সন আদি মিছনেৰীয়ে ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে শিৱসাগৰ, নগাঁও, গুৱাহাটী আদি ঠাইত থিতাপি লয়। অসমত ধৰ্মপ্ৰচাৰ কৰিবলৈ লওঁতেই মিছনেৰীসকলৰ সন্মুখত দেখা দিলে ভাষা সমস্যাই। তেওঁলোকে বঢ়িয়াকৈ

বুজি উঠিছিল যে থলুৱা ভাষাত ধর্ম সম্পর্কীয় পুথি-পাঁজি প্রকাশ নকৰি বিদেশী অথবা বাংলা ভাষাৰ সহায় ল'লে উদ্দেশ্য সিদ্ধি নহয়। অথচ তেওঁলোকে দেখা পালে যে মাতৃভাষাৰ সলনি তেতিয়া অসমৰ পঢ়াশালি, আইন-আদালত আৰু শাসন ব্যৱস্থা সকলোতে বাংলা ভাষাৰহে প্রচলন। বিদেশী আচহুৱা ভাষা এটাৰ যোগেদি যে এটা জাতিক শিক্ষিত আৰু জ্ঞানী কৰি তুলিব নোৱাৰি সেইকথা মিছনেৰীসকলে বুজি পাইছিল। কিন্তু ব্রিটিছ শাসকসকলেহে সাধাৰণ কথাটো বুজিও নুবুজাৰ দৰে বাংলা ভাষা প্রৱর্তন কৰিছিল।

অসমীয়া ভাষাৰ সম্প্রসাৰণৰ বাবে মিছনেৰীসকলে অসমৰ বিভিন্ন ঠাইত পঢ়াশালি স্থাপন কৰে। মিছনেৰীসকলৰ সহযোগত অসমৰ বিভিন্ন ঠাইত গঢ়ি উঠা পঢ়াশালিবোৰে অসমত শিক্ষা প্রচাৰৰ ক্ষেত্রত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। গতিকে দেখা যায় যে আধুনিক অসমীয়া ভাষা- সাহিত্যৰ বিকাশত মিছনেৰীসকলে আগবঢ়োৱা অৱদানৰ ভিতৰত পঢ়াশালি স্থাপন প্রথম আৰু গুৰুত্বপূর্ণ অৱদান।

অসমীয়া ভাষা প্রচলনৰ বাবে পঢ়াশালি প্রতিষ্ঠা কৰাৰ পাছত দেখা দিয়া সমস্যাটো হ'ল পাঠ্যপুথিৰ অভাৱ। সেয়ে মিছনেৰীসকলেই অসমীয়া ভাষাত পাঠ্যপুথি প্রণয়ন কৰিবলগীয়া হ'ল। ইয়াৰ ফলস্বৰূপে ছপা হৈ ওলাল— *বাৰেমতৰা, প্রথম কিতাপ, সাধুকথা, প্রথম গণনা, দুতিয়া গণনা, পদাৰ্থবিদ্যা* আদি পুথি। অসমীয়া ভাষাৰ প্রচলনৰ ক্ষেত্রত এইখিনি পাঠ্যপুথিৰ ঐতিহাসিক মূল্য অসীম।

পঢ়াশালি স্থাপন আৰু পুথি ৰচনাৰ লগে লগে মিছনেৰীসকল আন এটা সমস্যাৰ সন্মুখীন হ'ল। সেই সমস্যাটো হ'ল— ছপাশালৰ সমস্যা। গতিকে মিছনেৰীসকলেই অসমত ছপাশালো বহুৱাব লগাত পৰিল। কট্টাৰ আৰু নাথান ব্রাউনৰ যত্নতে শিৱসাগৰত এটি ছপাশাল প্রতিষ্ঠা হয়। এইদৰে অসমত ছপাশাল প্রতিষ্ঠা হোৱাৰ ফলত পাঠ্যপুথি আৰু খ্রীষ্টধর্ম প্রচাৰমূলক অনেক পুথি ৰচনা আৰু ছপা হ'বলৈ ধৰে। ফলত অসমত এটা শৈক্ষিক পৰিৱেশ গঢ় লৈ উঠিবলৈ ধৰে।

পঢ়াশালি স্থাপন, পাঠ্যপুথি প্রণয়ন, ছপাশাল স্থাপন কৰিয়েই মিছনেৰীসকল ক্ষান্ত থকা নাছিল। বাংলা ভাষাক অসমীয়াৰ ওপৰত জাপি দি তেতিয়াৰ ইংৰাজ চৰকাৰে যি ভুল ভাষা-নীতি গ্রহণ কৰিছিল তাৰ বিৰুদ্ধেও এওঁলোকে যুঁজ দিছিল। প্রমাণ সহকাৰে চৰকাৰী নীতিৰ ভুলবোৰ আঙুলিয়াই দিছিল। মিছনেৰীসকলৰ লগত যোগ দিছিল আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা, হেমচন্দ্র বৰুৱা আদি স্বদেশপ্রেমী যুবকে। আনন্দৰাম ঢেকিয়াল ফুকনে অকলশৰীয়াকৈ অসমৰ পঢ়াশালি আৰু কাছাৰীত অসমীয়া ভাষা প্রৱর্তনৰ বাবে প্রথমবাৰৰ বাবে অনুৰোধ জনালে। ১৯৫৩ চনত মোফট মিলছ অসমলৈ প্রশাসনিক কামত আহোঁতে এই প্রতিবেদনখন দাখিল কৰা হৈছিল। মিলছেও তেওঁৰ প্রতিবেদনত অসমীয়া ভাষাৰ স্বকীয়তাৰ বিষয়ে সহমত পোষণ কৰিছিল। অৱশ্যে ইংৰাজ চৰকাৰে এই ক্ষেত্রত কোনো ধৰণৰ সঁহাৰি নিদিলে। সেয়ে পৰৱর্তী কালত আনন্দৰামে *A Few Remarks on the Assamese Language and on*

*Vernacular Education of Assam* নামেৰে এখন পুস্তিকা প্ৰস্তুত কৰি অসমীয়া ভাষাৰ প্ৰকাশিকা শক্তি সাব্যস্ত কৰি স্ব-ভূমিত প্ৰাপ্য অধিকাৰ দিবৰ বাবে যুঁজ কৰিছিল। এই ক্ষেত্ৰত তেওঁক সহায়-সহযোগ আগবঢ়াইছিল মিছনেৰীসকলে। এই পুথিখন ১৮৫৫ চনত ছপা পুস্তিকা ৰূপে প্ৰকাশ কৰি মিছনেৰীসকলে ব্ৰিটিছ চৰকাৰলৈ পঠিওৱাৰ লগতে জনা-বুজা লোকৰ মাজত বিনামূলীয়াকৈ বিতৰণ কৰিছিল।উল্লেখ্যযোগ্য যেএই পুস্তিকাখন আনন্দৰামে নিজৰ নামেৰে নিলিখি A Native ছদ্মনামেৰেহে লিখিছিল। এয়া হয়তো ব্ৰিটিছৰ সাম্ৰাজ্যবাদী নীতিৰ প্ৰতি তেওঁৰ আনুগত্যৰ এক নিদৰ্শন। অৱশ্যে এটা কথা ঠিক যে ব্ৰিটিছৰ একান্ত আনুগত্য স্বীকাৰ কৰিও আনন্দৰামে অসমীয়া ভাষাৰ স্বকীয়তা প্ৰতিষ্ঠাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। ইয়াৰ পূৰ্বেও তেওঁ অসমীয়া ভাষা-সাহিত্যৰ বিকাশৰ বাবে কেইবাখনো পুথি ৰচনা কৰিছিল। তেওঁক অনুসৰণ কৰিয়েই তেওঁৰ মৃত্যুৰ পাছত এই দুয়োটা কাম কান্ধ পাতি লয় হেমচন্দ্ৰ-গুণাভিৰামে।

এইদৰে দেশী-বিদেশী অসমপ্ৰেমীসকলৰ আশাশুধীয়া প্ৰচেষ্টাৰ ফলত ইংৰাজ চৰকাৰে অৱশেষত অসমত প্ৰয়োগ কৰা ভাষানীতি পৰিৱৰ্তন কৰাৰ প্ৰয়োজন বোধ কৰিলে। ১৮৭৩ চনত ইংৰাজ চৰকাৰে নিজৰ ভুল বুজি পাই অসমীয়া ভাষাক পুনৰ ন্যায্য স্থান ঘুৰাই দিয়ে। তথাপি ১৮৩৬ চনৰ পৰা ১৮৭৩ চনলৈ অসমত মাতৃভাষাৰ সলনি বাংলা ভাষা প্ৰচলন হোৱাৰ ফলত অসমৰ শিক্ষা আৰু সাহিত্যৰ ক্ষেত্ৰত অপূৰণীয় ক্ষতি হ'ল। তাৰ ফলত অসমীয়া ভাষা-সাহিত্য ভাৰতবৰ্ষৰ আনবোৰ প্ৰদেশৰ তুলনাত বহুখিনি পিছ পৰি ৰ'ল।

এইখিনিতে উল্লেখযোগ্য যে মিছনেৰীসকলে ১৮৪০ চনত শিৱসাগৰত স্থাপন কৰা মিছনেৰী প্ৰেছৰ পৰাই প্ৰথম অসমীয়া সংবাদ-পত্ৰ আৰু আলোচনী *অৰুনোদই* প্ৰকাশ হয় ১৮৪৬ চনত। *অৰুনোদই* কাকতে ধৰ্ম, সাহিত্য, বিজ্ঞান, ইতিহাস আদি বিষয়ক প্ৰবন্ধ প্ৰকাশ কৰাৰ উপৰি সাধাৰণ-জ্ঞান সম্বন্ধীয় অনেক সংবাদ যোগান ধৰি আধুনিক চিন্তা-চৰ্চাৰ বাট মুকলি কৰি দিছিল। মহেশ্বৰ নেওগৰ ভাষাত "ৰাজভগনৰপৰা বাদুলিয়ে কলঠোক খোৱালৈ" সকলোধৰণৰ সৰু-বৰ খবৰ *অৰুনোদই*ত প্ৰকাশ পাইছিল। দৰাচলতে, মিছনেৰীসকলে অসমীয়া মানুহৰ এক দুৰ্যোগপূৰ্ণ সময়ত অসমীয়া মানুহৰ পক্ষত থিয় দি ত্ৰাণকৰ্তাৰ ভূমিকা পালন কৰিছিল। হেমচন্দ্ৰ গোস্বামীয়ে সঠিকভাৱেই কৈ গৈছে— "পাদুৰী চাহাবসকল এন্ধাৰ অসমত খ্ৰীষ্টধৰ্মৰ পোহৰ সুমুৱাবলৈ আহিছিল। তেওঁবিলাকে ভাবি-চিন্তি দেখিলে, অসমীয়া ভাষাৰ নুমাওঁ নুমাওঁ হোৱা চাকিটিত তেল নিদিলে খ্ৰীষ্টধৰ্মৰ আলোকেৰে মানুহৰ মন পোহৰ কৰা টান হ'ব। কাজেই অসমীয়া ভাষাৰ শলিতা গছিৰ গুৰিত তেল ঢালিবলৈ, তেওঁবিলাক সাজু হ'ল।"

এইদৰে ইংৰাজে ৰাজ্য লোৱাৰ পৰা অসমীয়া ভাষা পুনৰ প্ৰতিষ্ঠা হোৱালৈকে প্ৰায় পঞ্চাশ বছৰকালৰ ভিতৰত সাহিত্যৰ যিখিনি চৰ্চা হ'ল— সেইখিনিয়েই অসমীয়া সাহিত্যৰ আধুনিকতাৰ ভেটি স্থাপন কৰিলে।

ইয়াৰ পৰৱৰ্তী ভিন ভিন সময়ত বিভিন্নজন অসমপ্রেমী ব্যক্তিয়ে বিভিন্ন ধৰণে আধুনিক অসমীয়া সাহিত্যৰ ভঁৰাল সমৃদ্ধ কৰিলে। এই বিষয়ে পৰৱৰ্তী অধ্যায়বোৰত বহলাই আলোচনা কৰা হ'ব।



**জানি থোৱা ভাল**

'অৰুনোদই'— শব্দটিৰ আখৰ-জোঁটনিৰ ক্ষেত্ৰত ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ সৈতে মিছনেৰীসকলৰ মতবিৰোধ হৈছিল। অৱশেষত হেমচন্দ্ৰ বৰুৱাৰ অকাট্য যুক্তিৰ ওচৰত তেওঁলোক সেও হ'ল। সেয়ে, ১৯৬১ চনৰ জানুৱাৰী মাহৰ সংখ্যাটিৰ পৰা আলোচনীখনৰ নাম— *অৰুনোদই*ৰ সলনি *অৰুণোদয়* কৰা হ'ল।



**অগ্রগতি নিৰীক্ষণ**

**প্রশ্ন নং ১ঃ** কিমান চনত কাৰ কাৰ মাজত ইয়াণ্ডাবু সন্ধি স্বাক্ষৰিত হয়?

.....

**প্রশ্ন নং ২ঃ** শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক—

(ক) ১৮৩৬ চনত স্কুল-কাছাৰী আদিত অসমীয়া ভাষাৰ পৰিৱর্তে বাংলা ভাষাক ইংৰাজে প্রতিষ্ঠা কৰিলে।

(খ) মিছনেৰীসকলে ১৮৪২ চনত শিৱসাগৰত স্থাপন কৰে মিছনেৰী প্রেছ।

**প্রশ্ন নং ৩ঃ** ব্রিটিছে অসম দখল কৰাৰ পৰৱৰ্তী কালত অসমৰ সমাজ জীৱনত সৃষ্টি হোৱা নতুন শ্রেণীটো কি আছিল?

.....

**প্রশ্ন নং ৪ঃ** মিছনেৰীসকলে শিৱসাগৰত কেতিয়া ছপাশাল স্থাপন কৰিছিল?

.....

## ১.৩.২ বৈশিষ্ট্য আৰু সাহিত্যৰ বিবিধ বিধা

ইতিমধ্যে উল্লেখ কৰিছোঁ যে, আমাৰ আলোচ্য সময়ছোৱা অসমীয়া সাহিত্যৰ বাবে ৰূপান্তৰণৰ সময়। এই সময়ছোৱা সাহিত্যৰাজি বিচাৰ কৰিলে দেখা যায় যে, পূর্বে অসমীয়া সাহিত্যত নেদেখা কেইবাধৰণৰ সাহিত্য বিধাই আত্মপ্রকাশ কৰিলে। অসমীয়া সাহিত্যত নতুন কেইবাটাও বৈশিষ্ট্য দেখিবলৈ পোৱা গ'ল। এই সময়ৰ আধুনিক অসমীয়া সাহিত্যৰাজিৰ সাধাৰণ বৈশিষ্ট্যসমূহ দুটা ভাগত বিভাজন কৰি উল্লেখ কৰিব পাৰি — বিষয়বস্তুগত আৰু আংগিকগত দিশ।

বিষয়বস্তুগত দিশ বুলি ক'লে সাহিত্যৰ মাজেৰে কি বিষয়বস্তু উপস্থাপন কৰা হৈছিল সেয়া কথা বুজোৱা হয়। পুৰণি বা মধ্যযুগীয় অসমীয়া সাহিত্যৰ মূল বিষয়বস্তু আছিল ধৰ্মীয় দিশৰ লগত সম্পৰ্কিত। বৈষ্ণৱ সাহিত্যই হওক অবৈষ্ণৱ সাহিত্যই হওক সকলো ধৰণৰ সাহিত্যৰ লগত ধৰ্মীয় দিশ এটা সম্পৃক্ত হৈ আছিল। কিন্তু প্রাক্-স্বাধীনতাকালীন অসমীয়া সাহিত্যৰ বিষয়বস্তুগত দিশটিয়ে কেৱল ধৰ্মীয় দিশটোকে সামৰি লোৱা নাছিল। সৰ্ব সাধাৰণ মানুহৰ সুখ-দুখ-অনুভূতিকে আদি কৰি সকলো, বিজ্ঞানৰ আৱিস্কাৰ, সমাজত সংঘটিত যি কোনো ঘটনা আদিয়েও ঠাই পালে। এই পৰিক্রমা কিন্তু আধুনিক যুগ সোমোৱাৰ লগে লগেই সমাপন হোৱা নাছিল। লাহে লাহে হে ইয়াৰ ক্রমবিৱর্তন ঘটিছিল। উদাহৰণস্বৰূপে সেই সময়ত *অৰুণোদয়* কাকতত নতুন বিষয়বস্তুৰে অসমীয়া কবিতা লিখিবলৈ আৰম্ভ কৰা হৈছিল। অৱশ্যে সেই কবিতাসমূহ আছিল খ্রীষ্ট ধর্ম প্রচাৰমূলক কবিতা। এই ধাৰাটোৱে ক্রমবিৱর্তিত হৈ *পৰৱর্তী সময়ত জোনাকী* কাকতত সঠিক ৰূপত ৰোমাণ্টিক কবিতাৰ ৰূপ লাভ কৰে আৰু ধৰ্মীয় অনুভূতিৰ পৰিৱর্তে ব্যক্তিগত জীৱনৰ অনুভৱে কবিতাৰ বিষয়বস্তু হিচাপে ঠাই পালে। আনকি এটা সময়ত গচকত পৰা দূবৰি বনেও সৰগৰ বতৰা দিয়ে বুলি কবিয়ে ক'বলৈ কুণ্ঠাবোধ নকৰিলে। লোকসাহিত্যত সততে দেখা পোৱা কল্পনাৰ মুক্ত স্ফুৰণে যেন নতুন আংগিকেৰে, ন-ৰূপেৰে সমুজ্জ্বল হৈ উদ্ভাসিত হৈ উছিল। এক কথাত ক'ব পাৰি যি কোনো ঘটনা-পৰিঘটনা, বস্তুৰেই সাহিত্যৰ বিষয়বস্তু হিচাপে চিহ্নিত হ'ল।

ঠিক সেইদৰে সাহিত্যৰ আংগিকগত দিশটো নতুনত্বৰ পৰশ পৰিল। পুৰণি আৰু মধ্যযুগৰ অধিকাংশ লিখনি আছিল মূলতঃ কাব্যধর্মী। মধ্যযুগৰ শেষ পর্যায়ৰ সময়ছোৱাতে অসমীয়া গদ্যৰ উদ্ভৱ হৈছিল যদিও তাৰ ব্যৱহাৰ সণ্ঢালনিকৈ হোৱা নাছিল। কিন্তু আমাৰ আলোচ্য কালছোৱাত গদ্যৰ বহুল প্রয়োগ আৰম্ভ হয় আৰু অসমীয়া ভাষাত বিবিধ গদ্য শৈলীৰ ৰচনাৰ শুভাৰম্ভ ঘটে। ঠিক সেইদৰে কাব্য ৰচনাৰ ক্ষেত্রত পূর্বে প্রচলিত নির্ধাৰিত ছন্দসজ্জাৰ পৰিৱর্তে মুক্তক ছন্দৰ প্রয়োগ আৰম্ভ হয়। গদ্য শৈলীতো নতুনত্বৰ ছাপ পৰে। নতুন নতুন কথকতা শৈলীৰ বিকাশ ঘটে।

প্রসংগক্রমে উল্লেখযোগ্য যে, মধ্যযুগত অসমত শিক্ষা ব্যৱস্থা আছিল মূলতঃ সংস্কৃত টোল কেন্দ্রিক। এই টোলসমূহত ভাৰতীয় পৰম্পৰাগত শিক্ষা ব্যৱস্থাৰে শিক্ষা প্রদান কৰাৰ লগতে পৰম্পৰাগত জ্ঞানকোষসমূহ হে অধ্যয়ন কৰিবলগীয়া হৈছিল। কিন্তু ব্রিটিছে ইংৰাজী শিক্ষাৰ প্রচলন আৰম্ভ কৰাৰ লগে লগে অসমীয়া ছাত্রসকলৰ অধ্যয়নৰ পৰিসৰ ক্রমান্বয়ে বৃদ্ধি পালে আৰু তাৰ ফলস্বৰূপে সেই আর্হিৰেও নতুন নতুন সাহিত্য সৃষ্টি কৰিবলৈ অগ্রসৰ হ'ল। উদাৰহৰণ এটিৰে কথাটি বুজাই দিয়া হওক। পূর্বতে অসমীয়া নাটক বুলি ক'লে শংকৰ-মাধৱ বিৰচিত অংকীয়া নাটসমূহ আৰু শংকৰোত্তৰ কালত সেই একে সাঁচতে ঢালি ৰচনা কৰা নাটকসমূহক বুজা গৈছিল। সেই সময়ত গোটেই পৰিক্রমাটো আছিল পৰিৱেশনৰ লগতহে সম্পৰ্কিত। কিন্তু

ব্রিটিছসকলৰ আগমনে নাটক যে অধ্যয়নৰ বাবেও লিখা হ'ব পাৰে সেই কথাৰ বোধ সৃষ্টি কৰিলে আৰু নতুন উপস্থাপন ৰীতিৰে নাটক লিখা আৰম্ভ কৰিলে। ইংৰাজী নাটক পঢ়ি, তেনে নাটকৰ অভিনয় উপভোগ কৰি সেইবাবেই গুণাভিৰাম বৰুৱাই ১৮৫৭ চনত লিখি উলিয়ালে *ৰাম-নৱমী নাটক* নামেৰে প্ৰথমখন নাটক। তেওঁ কিন্তু এই নাটকখন লিখোতে তাৰ পৰিৱেশন কৰা যে হ'ব সেই দিশটোত গুৰুত্ব প্ৰদান কৰি লিখি উলিওৱা নাছিল। নব্য নাট্যধাৰাটো দেখি তেওঁৰ মনত সৃষ্টি হোৱা সদ্যোজাত কৌতুহল নিবাৰণ কৰিবলৈকে এই নাটকখন লিখি উলিওৱা হৈছিল আৰু *অৰুনোদই* কাকতত ছোৱা-ছোৱাকৈ প্ৰকাশ কৰিছিল। প্ৰসংগক্ৰমে উল্লেখ কৰি যাওঁ যে, এনে বোৰ কাৰকৰ বাবেই এই নাটকখন সেই সময়ত ক'তো অভিনীত হোৱা নাছিল বা হোৱাৰ তথ্য পোৱা নাযায়।

*অৰুনোদই* কাকতখনকে কেন্দ্ৰ কৰি সেই সময়ত অসমীয়া সাহিত্যলৈ নতুন নতুন বিধা বা সাহিত্যৰ ধাৰাবোৰৰ আগমন ঘটে। এই ক্ষেত্ৰত হাত উজান দিছিল খ্ৰীষ্ট ধৰ্ম প্ৰচাৰৰ বাবে অহা মিছনেৰীসকলে। কাব্যধৰ্মী ৰচনাৰ শৈলীত কবিতা লিখিবলৈ আৰম্ভ কৰা হয়। কাকতখনৰ পাততে আধুনিক নাটক ৰচনা হোৱাৰ কথা ইতিমধ্যে উল্লেখ কৰি অহা হৈছে। ঠিক সেইদৰে উপন্যাসধৰ্মী ৰচনাৰ শুভাৰম্ভ হয় *সুধৰ্মাৰ উপাখ্যানেৰে*। নিবন্ধ বা প্ৰবন্ধ লিখা, সংবাদ ৰচনা পৰা পৰম্পৰা, গণিত, ভূগোলকে ধৰি শিক্ষাপ্ৰদানৰ বাবে বিবিধ শৈলীৰ শিক্ষামূলক ৰচনা, অভিধান, ব্যাকৰণ আদি ৰচনা হ'বলৈ ধৰে। পৰৱৰ্তী সময়ত *জোনাকী* কাকতক কেন্দ্ৰ কৰি ব্যংগ নাট, চুটিগল্প, জীৱনী-আত্মজীৱনী, ভ্ৰমণ সাহিত্য, অনুবাদ, শিশু সাহিত্য আদি ন ন সাহিত্যৰ ধাৰাসমূহে অসমীয়া সাহিত্যাকাশত প্ৰৱেশ কৰে।

এনেদৰেই প্ৰাক্-স্বাধীনতাকালত আধুনিক অসমীয়া সাহিত্যই উদ্ভৱ হোৱাৰ লগতে বিকাশ লাভ কৰে। অধ্যায়টিত কথাখিনি একেবাৰে থোৰতেহে আলোচনা কৰা হ'ল। পৰৱৰ্তী অধ্যায়বোৰত আপুনি এই বিষয়ে সবিশেষ অধ্যয়ন কৰিবলৈ পাব।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৫ ঃ** প্ৰাক্-স্বাধীনতাকালীন অসমীয়া সাহিত্যৰ বিষয়বস্তুৰ সৈতে মধ্যযুগীয় অসমীয়া সাহিত্যৰ বিষয়বস্তুগত পাৰ্থক্য কি? চমুকৈ লিখক। (৬০ টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....

.....



## ১০.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- প্রাক্-স্বাধীনতাকালৰ অসমীয়া সাহিত্যৰ বুলি ক'লে ব্রিটিছে অসম দেশ অধিকাৰ কৰাৰ পৰা ১৯৪৭ চনৰ সময়ছোৱাৰ ভিতৰত ৰচিত অসমীয়া সাহিত্যৰাজিৰ কথা বুজা যায়। এই সময়ছোৱাক আলোচনাৰ সুবিধার্থে আমাৰ পাঠ্যবিষয়ত ক্রমে — প্রাক্-অৰুণোদয় যুগ, অৰুণোদয় যুগ আৰু অৰুণোদয় পৰৱৰ্তী কালৰ আধুনিক অসমীয়া সাহিত্য হিচাপে ভাগ কৰি পৰৱৰ্তী অধ্যায় কেইটা সজোৱা হৈছে।
- এই যুগৰ ঐতিহাসিক পটভূমি বিচাৰ কৰি দেখা গৈছে যে ইয়াণ্ডাবু সন্ধি, ইংৰাজ শাসন, মিছনেৰীসকলৰ অসম আগমন— এই তিনিটা কাৰকে আধুনিক অসমীয়া সাহিত্যৰ পটভূমি ৰচনাত বিশেষ ভূমিকা গ্রহণ কৰিছিল। অধ্যায়টিত এই কথাখিনি অলপ বহলাই আলোচনা দাঙি ধৰা হ'ল।
- প্রাক্-স্বাধীনতাকালৰ অসমীয়া সাহিত্যৰ মূল বৈশিষ্ট্যসমূহ কেনেধৰণৰ আছিল আৰু কি কি নতুন সাহিত্য ধাৰাই এই সময়ছোৱাত অসমীয়া সাহিত্যত ঠাই পালে সেই বিষয়ে চমুকৈ অধ্যায়টিত আলোচনা কৰা হ'ল।



## ১০.৫ অধিক জানিবলৈ

১) গোহাঁই, হীৰেন (১৯৭৬); *সাহিত্য আৰু চেতনা;* গুৱাহাটী ঃ লয়ার্চ বুক ষ্টল।

২) নেওগ, মহেশ্বৰ (সংকঃ আৰু সম্পাঃ) (১৯৮৩); *অৰুনোদই ১৮৪৬-১৮৫৪;* গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

৩) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৪) বর্মন, শিৱনাথ (সম্পাঃ) (১৯৯৭); *অসমীয়া সাহিত্যৰ বুৰঞ্জী, দ্বিতীয় খণ্ড;* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

৫) ভট্টাচার্য, হৰিচন্দ্র (১৯৭০); *অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি;* গুৱাহাটী ঃ সেৱা কুটীৰ।

৬) ভৱালী, শৈলেন (১৯৭৮); *আধুনিক অসমীয়া সাহিত্য (দুটি তৰংগ);* গুৱাহাটী ঃ নিউ বুক ষ্টল।

৭) মহন্ত, প্রফুল্ল (২০০৯-ক); *অসমীয়া মধ্যবিত্ত শ্রেণীৰ ইতিহাস;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৮) মহন্ত, প্রফুল্ল (২০০৯-খ); *জনগোষ্ঠীগত চেতনা ঃ আত্মপ্রতিষ্ঠাৰ প্রশ্ন;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৯) শর্মা, সত্যেন্দ্রনাথ (১৯৯৭); *অসমীয়া উপন্যাসৰ ভূমিকা*; গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

১০) শর্মা, সত্যেন্দ্রনাথ (২০০২); *অসমীয়া নাট্য সাহিত্য*; গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

১১) শর্মা, সত্যেন্দ্রনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*; গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

১২) শর্মা, হেমন্ত কুমাৰ (২০০৭); *অসমীয়া সাহিত্যত দৃষ্টিপাত*; গুৱাহাটী ঃ বীণা লাইব্রেৰী।

১৩) শর্ম্মা দলৈ, শ্রীহৰিনাথ (২০০৪); *অসমীয়া গদ্য সাহিত্যৰ গতি পথ*; গুৱাহাটী ঃ পদ্মাপ্রিয়া লাইব্রেৰী।

## ১০.৬ অগ্রগতিৰ খতিয়ান

**১ নং প্রশ্নৰ উত্তৰ ঃ** ১৮২৬ চনত মান সেনা আৰু ব্রিটিছ ইষ্ট-ইণ্ডিয়া কোম্পানীৰ লগত।

**২ নং প্রশ্নৰ উত্তৰ ঃ** ক) শুদ্ধ খ) অশুদ্ধ

**৩ নং প্রশ্নৰ উত্তৰ ঃ** মধ্যবিত্ত শ্রেণী।

**৪ নং প্রশ্নৰ উত্তৰ ঃ** ১৮৪০ চনত।

**৫ নং প্রশ্নৰ উত্তৰ ঃ** পুৰণি বা মধ্যযুগীয় অসমীয়া সাহিত্যৰ মূল বিষয়বস্তু আছিল ধর্মীয় দিশৰ লগত সম্পর্কিত। বৈষ্ণৱ সাহিত্যই হওক অবৈষ্ণৱ সাহিত্যই হওক সকলো ধৰণৰ সাহিত্যৰ লগত ধর্মীয় দিশ এটা সম্পৃক্ত হৈ আছিল। কিন্তু প্রাক্-স্বাধীনতাকালীন অসমীয়া সাহিত্যৰ বিষয়বস্তুগত দিশটিয়ে কেৱল ধর্মীয় দিশটোৰে সামৰি লোৱা নাছিল। সর্ব-সাধাৰণ মানুহৰ সুখ-দুখ-অনুভূতিকে আদি কৰি সকলো, বিজ্ঞানৰ আৱিস্কাৰ, সমাজত সংঘটিত যি কোনো ঘটনা আহিয়েও ঠাই পালে।

## ১০.৭ আৰ্হি প্রশ্ন

**ক) বস্তুধর্মী প্রশ্ন**

**প্রশ্ন ১ ঃ** *অৰুনোদই* আলোচনীখন কোন চনত প্রকাশ পাইছিল?

**প্রশ্ন ২ ঃ** ব্রহ্মোত্তৰ আৰু দেৱোত্তৰ মাটি কাক বোলে?

**খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)**

**প্রশ্ন ১ ঃ** প্রাক্-স্বাধীনতা কালৰ অসমীয়া সাহিত্যৰ বৈশিষ্ট্য সম্পর্কে এটি টোকা প্রস্তুত কৰক।

**প্ৰশ্ন ২ ঃ** প্ৰাক-স্বাধীনতাকালত অসমীয়া সাহিত্যত কি কি নতুন ধাৰাৰ আগমন ঘটিছিল?

গ) **ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)**

**প্ৰশ্ন ১ ঃ** প্ৰাক্-স্বাধীনতাকালীন সামাজিক পটভূমি সম্পৰ্কে বহলাই আলোচনা কৰক।

**প্ৰশ্ন ২ ঃ** প্ৰাক্-স্বাধীনতাকালৰ অসমীয়া সাহিত্য বুলি ক'লে কি বুজে? আলোচনা কৰক।

*** ***** ***